**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 28**-06-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***:::::::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত উপস্থিত হৈ সত্ৰখনৰ মেৰামতিৰ কামৰ আৰম্ভণি কৰে। সত্ৰখনৰ মূল গৃহৰ পুৰণি টিনপাতকে ধৰি অন্যান্য বিভিন্ন দিশত মেৰামতিৰ প্ৰয়োজন হোৱাৰ বিষয়ে সত্ৰ পৰিচালনা সমিতিয়ে যোৱা দৌল উৎসৱৰ সময়ত মুখ্যমন্ত্ৰীক অৱগত কৰিছিল। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে এক কোটি টকাৰ আৱণ্টন দিয়ে। আৱণ্টিত ধনেৰে কালিৰে পৰা টিনপাত সলনি কৰাৰ কাম কৰা হৈছে। নলবাৰীত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত বৰপেটাত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে সত্ৰ পৰিচালনা সমিতিৰ সৈতে বৈঠকত মিলিত হয়। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৬২ চনৰ পাছত প্ৰথমবাৰৰ বাবে বৰপেটা সত্ৰৰ টিনপাত সলনি কৰাৰ কাম আৰম্ভ কৰিবলৈ পাই তেওঁ সুখী অনুভৱ কৰিছে। তেওঁ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱ থানক কেন্দ্ৰ কৰি প্ৰস্তাৱ কৰা প্ৰকল্পৰ কাম অহা আগষ্টৰ শেষত নাইবা ছেপ্তেম্বৰৰ প্ৰথমতে আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ কামকাজৰ বুজ লয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদত নিৰ্মাণ কৰা ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয়খন আগষ্টত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনৰ বাবে যিধৰণৰ পুঁজি চৰকাৰে লাভ কৰিব, সেইমতে উন্নয়নমূলক কামো আগবঢ়াই নিয়া হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰপেটাত এখন বি এছ চি নাৰ্চিং মহাবিদ্যালয় স্থাপন কৰা হ'ব বুলিও প্ৰকাশ কৰে। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে জনাই যে চিকিৎসা মহাবিদ্যালয়খনত এটা অত্যাধুনিক চিটিস্কেন মেচিন সংস্থাপনৰ কামো চলি আছে। চিকিৎসাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সকলো চিকিৎসালয়তে সাপৰ বিষনাশক বেজি উপলব্ধ হৈ আছে যদিও একাংশ চিকিৎসকে প্ৰতিক্ৰিয়া হোৱাৰ ভয়ত এই বেজি দিব নিবিচাৰে ইতিমধ্যে ১০০ গৰাকী চিকিৎসকক এই বেজি দিয়াৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামাখ্যা মন্দিৰত উপস্থিত হৈ ৰাজ্যবাসীৰ সুখ আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰস্তাৱিত কামাখ্যা ক'ৰিডৰ প্ৰকল্প সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে জনায় যে, নিবিদাৰ পাছত ব্যক্তিগত কোম্পানী এটাই এই প্ৰকল্পটোৰ কাম লাভ কৰিছে। কোম্পানীটোৱে নক্সা আৰু পৰিকল্পনা ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীক প্ৰদান কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে সকলো পৰীক্ষা-নিৰীক্ষা কৰিব যাতে কামাখ্যাৰ আন্তঃগাঁথনিত কোনো ধৰণৰ অসুবিধা নহয়। ইপিনে ক'ৰিডৰ শব্দটো শুনি একাংশই ভয়

খাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ক'ৰিডৰ মানে এটা পথ ডাঙৰকৈ বনোৱা হ'ব, পথৰ ওপৰত টিনপাত দিয়া হ'ব। ইয়াৰ বাহিৰে একো পৰিৱৰ্তন নহয় বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে।

০০০০০০০০

ৰাজ্যৰ কলা আৰু সাংস্কৃতিক চৰ্চাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত আন্তঃগাঁথনি উন্নীতকৰণ আৰু পৰিৱৰ্তনশীল সময়ৰ প্ৰয়োজনীয়তা অনুসৰি ১১১ কোটি টকা ব্যয় সাপেক্ষ অভিলাসী পৰিকল্পনাৰ বাবে ৰাজ্য চৰকাৰ সাজু হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে।

০০০০০০০০

তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে নৰ্থ-ইষ্টাৰ্ন ডেভলপমেণ্ট কৰ্পৰেচনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বি টি আৰ প্ৰধানগৰাকীৰ লগতে তামুলপুৰৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, স্থানীয় বিধায়ক জলেন দৈমাৰী, কেইবাগৰাকীও কাৰ্যবাহী সদস্য, পাৰিষদ তথা জিলা প্ৰশাসনৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া এই বৈঠকত উপস্থিত থাকে। উল্লেখযোগ্য যে আজিৰ এই বৈঠকত কাঠফুলা, সৰিয়হ, ষ্ট্ৰবেৰীকে ধৰি বিভিন্ন ধৰণৰ শস্যৰ কৃষি কাৰ্যৰ লগতে মৌ পালন তথা গাহৰি পালনকে আদি কৰি বিভিন্ন বৈজ্ঞানিক পদ্ধতিৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০০

অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইন আৰু ৰাজ্যৰ আবকাৰী মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত আজি দুয়োখন ৰাজ্যৰ আবকাৰী বিভাগৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গুৱাহাটী অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই বৈঠকত আবকাৰী ৰাজহ বৃদ্ধিৰ বাবে দুয়োখন ৰাজ্যই পূৰ্ণ সহযোগিতাৰে কাম কৰি যোৱাৰ লগতে অবৈধ সুৰাৰ বিক্ৰী ৰোধৰ বাবে ক্ষীপ্ৰতাৰে তথ্যৰ আদান-প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হয়। বৈঠকত দুয়োখন ৰাজ্যৰ বিভাগীয় উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

ঃসমাপ্তঃ